“তোমালোকৰ মাজৰ যিয়ে কোনো অন্যায় দেখা পাাইছে, সি যেন নিজৰ হাতৰ দ্বাৰা সেইটোক পৰিবৰ্তন কৰে, যদি এইটো কৰিব নোৱাৰে তেন্তে জিভাৰ দ্বাৰা অৰ্থাৎ মৌখিকভাৱে যেন বাধা দিয়ে, আৰু যদি সি এইটোও কৰিব নোৱাৰে তেন্তে সি অন্তৰৰ দ্বাৰা ইয়াক পৰিবৰ্তন (কৰাৰ পৰিকল্পনা) কৰা উচিত। এইটো হৈছে ঈমানৰ সৰ্বনিম্ন স্তৰ।”

আবু ছাঈদ খুদৰী ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ মই ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামক কোৱা শুনিছোঁ, তেখেতে কৈছেঃ “তোমালোকৰ মাজৰ
যিয়ে কোনো অন্যায় দেখা পাাইছে, সি যেন নিজৰ হাতৰ দ্বাৰা সেইটোক পৰিবৰ্তন কৰে, যদি এইটো কৰিব নোৱাৰে তেন্তে জিভাৰ দ্বাৰা অৰ্থাৎ মৌখিকভাৱে যেন বাধা দিয়ে, আৰু যদি
সি এইটোও কৰিব নোৱাৰে তেন্তে সি অন্তৰৰ দ্বাৰা ইয়াক পৰিবৰ্তন (কৰাৰ পৰিকল্পনা) কৰা উচিত। এইটো হৈছে ঈমানৰ সৰ্বনিম্ন স্তৰ।” [ছহীহ] [(মুছলিম)]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে সক্ষম অনুযায়ী মুনকাৰ তথা অন্যায়ক প্ৰতিহত কৰাৰ নিৰ্দেশ দিছে। আল্লাহ আৰু তেওঁৰ ৰাছুলে নিষেধ কৰা প্ৰতিটো বস্তুৱে হৈছে মুনকাৰ। যদি কোনো ব্যক্তিয়ে মুনকাৰ দেখা পায়, তেন্তে সেইটোক হাতৰ দ্বাৰা বাধা দিয়াটো তাৰ ওপৰত অনিবাৰ্য হৈ পৰে, যদি তেওঁ ইয়াৰ বাবে সক্ষম। যদি হাতৰ দ্বাৰা নোৱাৰে তেন্তে মৌখিকভাৱে সেইটোক বাধা দিয়া উচিত, অৰ্থাৎ অন্যায়ত লিপ্ত ব্যক্তিক বিৰত ৰখা উচিত, সেই কৰ্মৰ ক্ষতি সম্পৰ্কে তাক অৱগত কৰোৱা উচিত আৰু ইয়াৰ পৰিবৰ্তে তাক ভাল কামৰ প্ৰতি নিৰ্দেশনা দিয়া উচিত। এইটো পৰ্যায়তো যদি ব্যৰ্থ হয়, তেন্তে অন্তৰৰ দ্বাৰা সেইটোক পৰিবৰ্তন তথা বাধা প্ৰদানৰ পৰিকল্পনা কৰা উচিত, অৰ্থাৎ অন্তৰেৰে সেইটোক ঘৃণা কৰা উচিত আৰু এইটো সংকল্প লোৱা উচিত যে, যদি সেইটোক বাধা দিবলৈ সমক্ষ হয় তেন্তে নিশ্চয় বাধা প্ৰদান কৰিব। অন্তৰৰ দ্বাৰা ঘৃণা কৰা বা পৰিবৰ্তন কৰাৰ পৰিকল্পনা কৰাটো হৈছে মুনকাৰক বাধা প্ৰদান কৰাৰ ক্ষেত্ৰত ঈমানৰ সৰ্বনিম্ন পৰ্যায়।

http://www.sunnah.global/hadeeth/as/show/65001